**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

অসম ৰাজ্যিক শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ হৈছে ৬৩ দশমিক ৯-৮ শতাংশ। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৪ লাখ ২২ হাজাৰ ৭৩৭ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮৯ হাজাৰ ৪১ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত, এক লাখ ৩৫ হাজাৰ ৫৬৮ গৰাকী দ্বিতীয় বিভাগত আৰু ৪৫ হাজাৰ ৮৬২ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ৮৫ দশমিক ৫-৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শিৱসাগৰ জিলাই প্ৰথম স্থান, ৮১ দশমিক ১-০ শতাংশৰে ডিব্ৰুগড় জিলাই দ্বিতীয় আৰু ৮০ দশমিক ৬-৪ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ধেমাজি জিলাই তৃতীয় স্থান দখল কৰিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোৰহাট জিলাৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আমিষি শইকীয়াই ৯৮ দশমিক ৫-০ শতাংশ লাভ কৰি ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। কামৰূপ মহানগৰৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ সপ্তাৰ্শ্ব বৰদলৈয়ে ৯৮ দশমিক ৩-৩ শতাংশ লাভ কৰি দ্বিতীয় স্থান আৰু যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অনিৰ্বান বৰগোঁহায়ে ৯৮ দশমিক ১-৭ শতাংশৰে তৃতীয় স্থান লাভ কৰিছে। উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ মাৰ্কশ্বিটৰ হাৰ্ড কপি তথা প্ৰমাণ পত্ৰ প্ৰদানৰ দিন পৰৱৰ্ত্তী সময়ত ঘোষণা কৰা হ'ব।

ফলাফল ঘোষণাৰ পাছতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত এখন সংবাদমেলত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্তীসকললৈ শুভেচ্ছা জ্ঞাপন কৰে। ডাঃ পেগুৱে পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত সকলো পক্ষ্যকে ধন্যবাদ জনাই উত্তীৰ্ণৰ হাৰ নিম্নগামী হোৱা জিলাসমূহৰ আয়ুক্তক এই বিষয়টো পৰ্যালোচনাৰ বাবে আহ্বান জনায়।

ooooo

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মিত্ৰজোঁটৰ অগপই নিজৰ প্ৰতীক চিহ্নৰে নিৰ্বাচন খেলিব যদিও ৰাভা হাচং যৌথ মঞ্চ আৰু গণশক্তিয়ে বিজেপিৰ প্ৰতীক চিহ্নৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩২৩ খন আসনত বিজেপি মিত্ৰজোঁটে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ৭৪ খন আসন মিত্ৰদল অগপক প্ৰদান কৰা হৈছে। ১৭২ খন আসনত মিত্ৰজোঁটৰ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ হৈ ২৭ খন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যিক সভাপতি দিলীপ শইকীয়াইও অৰ্ধ শতাধিক প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি দলটোৱে জানিবলৈ দিছে।

পঞ্চায়ত নিৰ্বাচনৰ কাৰণে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ আগত গুৰুত্বপূৰ্ণ নিৰ্বাচনী কুচকাৱাজ হিচাপে পৰিগণিত হোৱা পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি কংগ্ৰেছ আৰু ৰাজ্যৰ অন্যান্য বিৰোধী দলসমূহ একত্ৰিত হ'ব বুলি আশা কৰা হৈছিল যদিও এতিয়ালৈকে তেনেধৰণৰ কোনো বুজাবুজি পৰিলক্ষিত হোৱা নাই।

০০০০০

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আবৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে মতামত আগবঢ়াব।

আকাশবাণীৰ বাতৰি বিভাগে ১৩ এপ্ৰিল দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰঙালী বিহু পালনৰ বিষয়ে এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন চৰকাৰী দক্ষতা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম এইবছৰৰ পৰা আৰম্ভ হ'ব। ২০২৫-২৬ বৰ্ষৰ পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা আবেদন বিচৰা হৈছে। ৩০ এপ্ৰিলত আবেদন পত্ৰ দাখিল আৰম্ভ হ'ব আৰু ১৫ জুন নামভৰ্তিৰ প্ৰক্ৰিয়া শেষ হ'ব। ইয়াৰ কিছুদিনৰ ভিতৰতে বিশ্ববিদ্যালয়খনৰ প্ৰথম শিক্ষাবৰ্ষৰ পাঠদান আৰম্ভ হ'ব। প্ৰথম বৰ্ষত মুঠ ১৩ টা পাঠ্যক্ৰম থাকিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। চেন্নাই ছুপাৰ কিংছৰ অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে আই. পি. এলৰ এইবাৰৰ সংস্কৰণৰ বাকী খেল কেইখনত পূৰ্ণকালীন অধিনায়ক ৰুতুৰাজ গায়কোৱাড়ৰ স্থান ল'ব বুলি ঘোষণা কৰিছে। গায়কোৱাড়ক কিলাকুটিৰ আঘাতৰ বাবে বাকী কেইখন খেলৰ পৰা বাদ দিয়া হৈছে।

ডেলহি কেপিটেলছে যোৱানিশা বাংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০

***সমাপ্ত***